# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২


**দিনটোৰ উক্তি**

শিক্ষাগুৰুসকলে সকলো শিক্ষাৰ্থীকে সমব্যৱহাৰ কৰা উচিত। তেওঁলোকে শিক্ষাৰ্থীৰ জীৱন উজলোৱাৰ দায়িত্ব পালন কৰিব লাগে।

— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

**আজি প্ৰয়াত**
**কোঁৱৰ দত্তৰ ত**



ষ্টাফ ৰিপৰ্টাৰ, ২৯ জ
গীতানগৰ বাসভৱনত
উদ্যোগপতি তথা 'অ
সঞ্চালক শৈলেন্দ্ৰ কোঁ
যোৱা ২০জানুৱাৰীৰ নি


ফোন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ৭৭ মঙলবাৰ ১৫ মাঘ ১৯৪৫ শক ৩০ জানুৱাৰী ২০২৪ চন ASOMIYA KHABAR JORHAT TUESDAY 30 JANUARY 2024 দাম ঃ ৭.০০


**'সুস্থিৰ, সু-শৃংখলিত শিক্ষা ব্যৱস্থাই সমাজৰ আমূল পৰিৱৰ্তন আনিব ঃ শিক্ষামন্ত্ৰী ডাঃ পেগু**

# ডিব্ৰুগড়ত অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ সামৰণি

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ জানুৱাৰী ঃ 'সুস্থিৰ, সু-শৃংখলিত শিক্ষা ব্যৱস্থাই সমাজৰ আমূল পৰিৱৰ্তন আনিব।' মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ আজি তৃতীয় দিনাৰ বিশেষ শৈক্ষিক সভাত উপস্থিত থাকি অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে কয়। অসম কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ আতিথ্যত ডি এইছ এছ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত অধিৱেশনৰ শৈক্ষিক সভাত মন্ত্ৰী ডাঃ পেগুৱে কয়, ছাত্ৰ-ছাত্ৰীসকলক কৰ্মমুখী আৰু বৃত্তিমুখী কৰি গঢ়ি তুলিব পৰাকৈ পুথিগত শিক্ষাৰ লগতে দক্ষতা বিকাশৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে কৰ্মশালা আৰু আলোচনাচক্ৰ মহাবিদ্যালয় পৰ্যায়ত অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াত অধিক গুৰুত্ব প্ৰদান কৰিব লাগে। অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই আঁতধৰা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, আমাৰ শিক্ষা ব্যৱস্থা সমগ্ৰ বিশ্বৰ লগত ফেৰ মাৰিব পৰাকৈ 'ডিজিটেলাইজেশ্যন' হোৱাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। তেওঁ কয়, আমি সকলোৱে সমাজৰ প্ৰতি দায়বদ্ধ হোৱাৰ লগতে গৱেষণাৰ বিষয়বস্তু সমাজ কল্যাণমুখী হোৱাটো বাঞ্ছনীয়। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে কানৈ মহাবিদ্যালয়ে বিভিন্ন দিশত কৰি অহা কামৰ প্ৰশংসা কৰাৰ লগতে আন মহাবিদ্যালয়েও এনেবোৰ দিশত কাম কৰি যোৱাৰ প্ৰতি আহ্বান জনায়। বিশেষ শৈক্ষিক সভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ আধাৰত মহাবিদ্যালয়সমূহত দক্ষতাভিত্তিক আৰু বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব' শীৰ্ষক বিষয়ত ধাৰণাগত টোকা প্ৰদান কৰে অসম কলেজ শিক্ষক সংস্থাৰ শৈক্ষিক সম্পাদক প্ৰাঞ্জল গগৈয়ে। নতুন দিল্লীস্থ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য ড° কিৰণ হাজৰিকাই ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ বিষয়ত সবিস্তাৰে আলোকপাত কৰাৰ লগতে একত্ৰিকৰণ শিক্ষা ব্যৱস্থাত অধিক গুৰুত্ব আৰোপ কৰে। 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ আধাৰত মহাবিদ্যালয়সমূহত দক্ষতাভিত্তিক আৰু বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° চন্দন কুমাৰ শৰ্মাই। বক্তৃতা প্ৰদান কৰি ড° শৰ্মাই কয়, মহাবিদ্যালয় পৰ্যায়তে পৰিকল্পনা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ বাবে আন্তঃঅনুশাসনমূলক পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰসংগত তেওঁ কয়, বিভিন্ন জ্ঞানৰ মাজত থকা আন্তঃসম্পৰ্ক উপলব্ধি কৰাতো বৰ্তমান ছাত্ৰ সমাজৰ এটা প্ৰয়োজনীয় দক্ষতা বুলি মত প্ৰকাশ কৰি জীৱনত সফল হোৱা বহু ব্যক্তিৰ উদাহৰণ দাঙি ধৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেদ, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি নৰেন চাংমাই, অসম সত্ৰ মহাসভাৰ সভাপতি, সত্ৰাধিকাৰ শ্ৰীশ্ৰীহৰিদেৱ গোস্বামী, সম্পাদক প্ৰান্তিক গোস্বামী, ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ লগতে অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ প্ৰায় ছয় শতাধিক শিক্ষক প্ৰতিনিধি উপস্থিত থাকে। বিয়লি ৪-৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাৰে তৃতীয় দিনাৰ কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে বুলি জানিবলৈ দিছে উদ্যোক্তাসকলে।